
# লুইতৰ পাৰৰ অগ্নিসুৰ






জ্যোতিপ্ৰসাদ আগৰৱালা

# লুইতৰ পাৰৰ অগ্নিসুৰ

No 2894
Date 4·10·74
Boko

No
Date
Boko

লুইতৰ আকাশত তৰাৰ দীপাৱলী
পাৰত দীপাৱলী
তেজেৰে মোৰ,
আই নেকান্দিবি থাপনাত তেজেৰে
বন্তি দিছেহি
সন্তানে আজি তোৰ।

—জ্যোতিপ্ৰসাদ

SOUL

জ্যোতি-গ্ৰন্থমালা ( ৯ )

# লুইতৰ পাৰৰ অগ্নিসুৰ

( জ্যোতি-কবিতাৰ সংকলন )

No
Date
Boko Kamrup

প্ৰণেতা

জ্যোতিপ্ৰসাদ আগৰৱালা

সম্পাদনা

শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

তপোবন, গুৱাহাটী-১

891.451108
AGA

প্ৰথম তাঙৰণ

১৫ আগষ্ট, ১৯৭১ চন

JNCL

2894

জ্যোতিপ্ৰসাদ সোঁৱৰণী সন্থা

তেজপুৰ, অসম

**Luitar Parar Agnisur** : Collection of poems by Rupkonwar Jyotiprasad Agarwala, edited by Prof. Atulchandra Hazarika, Tapoban, Gauhati and Published by Shreemati Padma Agarwala on behalf of the Jyoti Memorial Trust Board, Tezpur, Assam.

প্ৰথম প্ৰকাশ :
প্ৰকাশন পৰিষদৰ আৰ্থিক সাহায্যত
শ্ৰীমতী পদ্মা আগৰৱালা
জ্যোতিপ্ৰসাদ সোঁৱৰণী সন্থাৰ হৈ
তেজপুৰ, অসম

মূল্য ১০৲ ( দহ টকা )

মুদ্ৰক :
শ্ৰীকালীচৰণ পাল
নবজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

# 'আমাৰ কথা

ৰাইজৰ বহু আকাঙ্ক্ষিত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ অনুপম কবিতাৰাজি পলমকৈ হলেও প্ৰকাশ কৰিবলৈ সমৰ্থ হৈ আমি আনন্দিত হৈছোঁ। ৰূপকোঁৱৰৰ স্বৰচিত পাণ্ডুলিপি, পুৰণি আলোচনীৰ পাত আৰু বাতৰি-কাকত আদিৰ পৰা এই কবিতাসমূহ সংগ্ৰহ কৰা হৈছে। কেইটিমান কবিতা আধালিখা অৱস্থাতে টুকুৰা কাকতৰ পৰা আৰু দুই-এটি কবিতাৰ কলি, পুৰণি লেফাফাৰ ওপৰতো পাই, সকলোখিনি গোটাই 'লুইতৰ পাৰৰ অগ্নিসুৰ' নাম দি কবিতা সংকলনটি যুগুত কৰা হৈছে।

এই সংকলনটিত থকা কবিতাসমূহ বিভিন্ন সময়ত আৰু বিভিন্ন বিষয়ে লিখা। আমাৰ সন্থাৰ অন্যতম সভ্য অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱে কবিতাসমূহ শ্ৰেণীবদ্ধভাৱে সজাই-পৰাই সম্পাদনাৰ দায়িত্ব লৈ আমাক সহায় কৰিছে। আমাৰ অন্তৰৰ শলাগ তেখেতক জনালো। ছপাৰ পাণ্ডুলিপি যুগুত কৰিছে শ্ৰীমান অতুল শৰ্ম্মা, শ্ৰীনিত্যানন্দ বৰদলৈ আৰু শ্ৰীলম্বোদৰ কলিতাদেৱে। বেটুপাতৰ ছবিখনি নতুনকৈ আঁকি দিছে কুমাৰী এনিশা আগৰৱালাই—এই চাৰিজনলৈ আমাৰ ধন্যবাদ জনালো।

পুথিখনি পোহৰলৈ উলিয়াবৰ বাবে আংশিকভাৱে অৰ্থ-সাহায্য দান কৰিছে ৰাজ্যিক প্ৰকাশন-পৰিষদে। পৰিষদৰ সচিব শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়াদেৱলৈকো ধন্যবাদ জনালো।

পুথিখনি ছপাশাললৈ পঠোৱা কেবামাহো হ'ল। সময়ে সময়ে কলিকতাৰ অশান্তি, ডাকৰ বিজুতি আদি নানা কাৰণত প্ৰকাশত অযথা পলম হোৱা বাবে আমি দুঃখিত।

জ্যোতি-কবিতাৰ পিছতে জ্যোতি-সঙ্গীতৰ সংকলন ৰাইজৰ আগত দাঙি ধৰিবলৈ আশা কৰিলো। অপ্ৰকাশিত গীত কাৰোবাৰ হাতত আছে যদি আমাৰ সন্থালৈ পঠাবলৈ অনুৰোধ জনালো। ইতি

জ্যোতিপ্ৰকাশ সন্থা
তেজপুৰ
১৫।৮।৭১

শ্ৰীকমলাপ্ৰসাদ আগৰৱালা
সভাপতি
শ্ৰীপদ্মা আগৰৱালা
সম্পাদিকা

# নিবেদন

এই কথা নকলেও হ'ব যে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ ৰাজনৈতিক কৰ্ম্মজীৱন বিশেষভাৱে উজ্জ্বল হলেও এয়েই সম্পূৰ্ণ জ্যোতিপ্ৰসাদ নহয়। জ্যোতিপ্ৰসাদে অতুলনীয় কীৰ্ত্তি ৰাখি থৈ গৈছে অসমীয়া সংস্কৃতিৰ বৰনামঘৰটোৰ ভিতৰতহে আৰু দৰ্বাচলতে প্ৰকৃত জ্যোতিপ্ৰসাদ মানুহজনক তাৰ ভিতৰতহে বিচাৰিলে আজিও পোৱা যায়। জ্যোতিপ্ৰসাদ আছিল নাট্যকাৰ, সঙ্গীতকাৰ, কবি, শিশু-সাহিত্যিক, চুটিগল্প-লিখক, জীৱনী-লিখক—তদুপৰি তেওঁ আছিল সাংবাদিক, দাৰ্শনিক, চিত্ৰকৰ, চিত্ৰপ্ৰযোজক, অভিনয়শিল্পী। একেষাৰ কথাৰে কবলৈ হলে ৰূপকোঁৱৰ আছিল অসমীয়া সাহিত্য-সংস্কৃতিৰ এজন নিপুণ খনিকৰ। অসমীয়া সংস্কৃতিক শঙ্কৰকেন্দ্ৰিক আৰু জ্যোতিকেন্দ্ৰিক বুলি কলেও বঢ়াই কোৱা নহয়।

নাটকৰ পিছতে জ্যোতিপ্ৰসাদৰ শ্ৰেষ্ঠ সাহিত্যিক অৱিহণা হৈছে সঙ্গীত আৰু কবিতা। আজিও যেন জ্যোতিপ্ৰসাদে প্ৰতিজন অসমীয়াৰ কাণৰ কাষত সকীয়াই দিব লাগিছে—

> "সাজু হবৰে হ'ল ডেকা ল'ৰা, সাজু হবৰে হ'ল ;
> তোৰ তপ্ত ৰুধিৰ ঢালি আয়েৰক শক্তি দিবৰে হ'ল।"

অসমীয়া সাহিত্যৰ বিভিন্ন বিভাগ জ্যোতিপ্ৰসাদৰ বলিষ্ঠ লেখনীৰ দ্বাৰা কম-বেছি পৰিমাণে চহকী হৈছে নিশ্চয়—তাৰ ভিতৰত 'জ্যোতি কবিতায়ো' এক বিশিষ্ট স্থান অধিকাৰ কৰিছে বুলি আমি ডাঠি কব পাৰোঁ।

জ্যোতিপ্ৰসাদে অলেখ কবিতা ৰচনা কৰিছিল। সেইবোৰৰ সঠিক সংখ্যা কিমান কোৱাটো টান। সেইবোৰৰ বেছিভাগেই সাময়িক আলোচনীৰ যোগেদি পোহৰৰ মুখ দেখা পাইছিল। কিন্তু এই কবিতাৰাজি ভাগে ভাগে সজাইপৰাই নিৰ্দ্দিষ্ট পুথিৰ আকাৰত অন্তৰ্ভুক্ত কৰিবলৈ নিৰ্ম্মম কালে তেওঁক সময় নিদিলে। ই দুৰ্ভাগ্যৰ

কথা। পৰিকল্পিত পুথিখনিৰ নাম 'লুইতৰ পাৰৰ অগ্নিসুৰ' হ'ব বুলি মোৰ আৰু বহুতৰ আগত কৰিয়ে তেওঁৰ মনৰ ভাব ব্যক্ত কৰিছিল। সেই মতেই এই কবিতা-পুথিৰ আটাইবোৰ কবিতা অগ্নিসুৰীয়া আৰু সমভাবাপন্ন নহলেও আমি কবিৰ অভিলষিত নামটোৰেই পুথিৰ নামকৰণ কৰিছোঁ। ইতিপূৰ্বে প্ৰকাশিত আৰু হাতেলিখা অৱস্থাতে ছেদেলিভেদেলি হৈ অ'ত-ত'ত পৰি থকা কবিতাবিলাক অহোপুৰুষাৰ্থ কৰি গোটাই দিছে জ্যোতিপ্ৰকাশ সংস্থাৰ সম্পাদিকা শ্ৰীমতী পদ্মা আগৰৱালাই। কেইটামান কবিতা কিতাপখন সম্পূৰ্ণ প্ৰকাশ হোৱাৰ পিছত পোৱাৰ বাবে যথাস্থানত অন্তৰ্ভুক্ত কৰিব নোৱাৰি ওপৰঞ্চিত ভৰোৱা হৈছে। শ্ৰীমতী পদ্মা আগৰৱালাৰ পৰা পোৱা কবিতাৱলীকে ভাবানুসৰি সাতোটা তৰঙ্গত সজাইপৰাই এই জ্যোতি-কবিতাৰ শৰাই পাঠক-সমাজলৈ আগবঢ়োৱা হ'ল। সকলোবোৰ কবিতা একেলগে নোপোৱাৰ বাবে শ্ৰেণীবিভাগ কৰোঁতে আউল নলগাকৈ থকা নাই। ইয়াৰ বাহিৰেও যে জ্যোতি-কবিতা নাই নতুবা এইখনেই যে জ্যোতি-কবিতাৰ সম্পূৰ্ণ সঙ্কলন এনে কথা আমি নকওঁ। হাতে চুকি পোৱা কোনো কবিতা অৱশ্যে আমি ইচ্ছাকৃতভাৱে বাদ দিয়া নাই। সেয়ে হলেও এই পুথিত সৰহখিনি জ্যোতি-কবিতাই অন্তৰ্ভুক্ত হৈছে বুলি আমি আশা কৰিছোঁ। কবিতাবাজিৰ গুণাগুণ সম্পৰ্কে মই একো নকওঁ—কবিতাপ্ৰেমীসকলে নিজেই বুজি লওক আৰু বিশেষজ্ঞসকলে বিচাৰ-বিবেচনা কৰি যি ক'ব লাগে কওক।

এই পুথি প্ৰকাশ হোৱাৰ লগে লগে জ্যোতিপ্ৰসাদৰ সোণসুৰুদি কাপৰ পৰা নিজৰি ওলোৱা নাট, চুটিগল্প, জীৱনী, প্ৰবন্ধ আদি আটাইবোৰেই প্ৰকাশ হৈ ওলাল যদিও কবিয়ে শিশুৰ উদ্দেশ্যে ৰচনা কৰা 'জ্যোতি-ৰামায়ণ'খনি এতিয়াও হাতেলিখা অৱস্থাতে আছে। তদুপৰি অতি পৰিতাপৰ কথা, যি জ্যোতি-সঙ্গীতক লৈ আমি গৌৰৱ কৰোঁ সেই জ্যোতি-সঙ্গীতখিনিকে সুৰ-চানেকীৰে আগৰৱালাদেৱৰ অকাল প্ৰস্থানৰ আজি প্ৰায় একুৰি বছৰেও প্ৰকাশ কৰিবলৈ কোনো জন সমৰ্থ নহ'ল। ৰূপকোঁৱৰৰ বহুমুখী জীৱনৰ সকলো দিশ সামৰি লোৱা 'জীৱনচৰিত' এখনো কেতিয়াবাই ওলাব লাগিছিল। দিন গৈ আহিছে মানে সহজে পাব পৰা সমলবোৰো দুষ্প্ৰাপ্য হৈ আহিছে।

সেই কাৰণে প্ৰামাণ্যমূলক জ্যোতি-জীৱনী এখনৰ অভাৱত ভৱিষ্যতে জ্যোতিপ্ৰসাদক প্ৰকৃত ৰূপত চিনি পাবলৈ বহু সময়ত আন্ধাৰত হাত খেপিয়াব লাগিব। জ্যোতিপ্ৰসাদৰ ৰচিত 'চন্দ্ৰকুমাৰ' গ্ৰন্থখনিৰ পৰা অসমৰ সুপ্ৰসিদ্ধ আগৰৱালা-পৰিয়ালৰ বংশ-বৃত্তান্ত জনাৰ উপৰিও 'প্ৰতিমা'ৰ খনিকৰৰ বহু কবিতাৰ আঁত উলিয়াবলৈ সহজ হৈছে। জ্যোতিপ্ৰসাদৰ অনুৰূপ জীৱন-চৰিত এখনো আমাক লাগে—তেওঁক বুজিবলৈ, তেওঁৰ সাহিত্য-সম্পদৰ আঁত উলিয়াবলৈ। এতিয়াও এই সম্পৰ্কে গুটীয়াভাৱে নাইবা যুটীয়াভাৱে প্ৰচেষ্টা চলাবৰ সময় উকলি যোৱা নাই। সেয়ে যেন হৈ উঠে তাকেই আমি কামনা কৰোঁ।

তপোবন
গুৱাহাটী-১
১৫।৮।৭১

বিনীত
শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

# শুধৰণি

বিশেষ যত্ন লোৱা সত্বেও অ'ত ত'ত দুই এটা ছপা ভুল বৈ গল। গোটাদিয়েক শব্দৰ অৰ্থ অভিধানতো বিচাৰি পোৱা নাই। লিপিকাৰৰ পৰা পোৱা দৰেই সেইবোৰ ৰখা হৈছে। চকুত পৰা কেইটামান ভুল তলত শুধৰাই দিয়া হৈছে। পঢ়াৰ আগতে পাঠকে যথাস্থানত শুধৰাই লব বুলি আশা কৰিলোঁ।

| পৃষ্ঠা | শাৰী | ভুল | শুদ্ধ |
|---|---|---|---|
| ৬ | ৮ | বয় | বয় |
| ১৯ | ৬ | স্ফুৰ্লিঙ্গ | স্ফুলিঙ্গ |
| ৩৫ | ৫ | সূক্ষ্ম | সূক্ষ্ম |
| ৫৪ | ১ | মানপী | মানসী |
| ৬২ | ১৯ | বাসমা | বাসনা |
| ৭৫ | ২২ | থায় | থাই |
| ১৬১ | ২ | আপোনআপুনি | আপোনাআপুনি |
| ১৯১ | ২ | সই | মই |
| ২২৭ | ১ | চিৰবিদ্ৰোহী (১) | চিৰবিদ্ৰোহী |
| ২২৭ | ১৪ | সুঘোষিত | সুঘোষিত |
| ২৩৮ | ১ | মৰীমূৰ | মৰিমূৰ |
| ১৩৮ | ১ | পৃথিবীৰ | পৃথিৱীৰ |
| ২৪৭ | ২ | পাণ্ডিত্যেৰ | পাণ্ডিত্যেৰে |
| ১৫৪ | ১৫ | অম্বুৰক্ক | অম্বুৰম্ভ |

# সূচীপত্র

## প্ৰথম তৰঙ্গ


| | কবিতাৰ নাম | পৃষ্ঠা |
|---|---|---|
| ১। | সুন্দৰৰ জয়যাত্ৰা ... ... | ১ |
| ২। | শিল্পীৰ আলোকযাত্ৰা ... ... | ১৩ |
| ৩। | নৱবিপ্লবী কবি জাগে ... ... | ১৯ |
| ৪। | নতুন ... ... | ২৯ |
| ৫। | আজিৰ কবিতা ... ... | ৩১ |
| ৬। | আধুনিক কবিতা ... ... | ৩৩ |
| ৭। | ৰেডিঅ' ... ... | ৩৮ |
| ৮। | মহামানৱ ... ... | ৪১ |
| ৯। | মুক্তি ... ... | ৪৪ |
| ১০। | সাধক ... ... | ৪৭ |


## দ্বিতীয় তৰঙ্গ


| | | |
|---|---|---|
| ১১। | কাঞ্চনজঙ্ঘাৰ বুৰঞ্জী ... ... | ৫২ |
| ১২। | কুমাৰ মোহন ... ... | ৬২ |
| ১৩। | চিত্ৰলেখা ... ... | ৬৭ |
| ১৪। | লাচিতৰ আহ্বান ... ... | ৭৩ |
| ১৫। | জয়মতীৰ আত্মাৰ উক্তি ... ... | ৮০ |
| ১৬। | কনকলতা ... ... | ৮৩ |


## তৃতীয় তৰঙ্গ


| | | |
|---|---|---|
| ১৭। | নতুন অকণমানিৰ গান ... ... | ৯৫ |
| ১৮। | অকণমানি ল'বা ... ... | ৯৯ |
| ১৯। | অকমানি ল'বা ... ... | ১০০ |

| কবিতাৰ নাম | | | পৃষ্ঠা |
| --- | --- | --- | --- |
| ২০। অকমানি ছোৱালী | ... | ... | ১০৬ |
| ২১। অকণিৰ সপোন | ... | ... | ১২১ |
| ২২। কুম্পুৰ সপোন | ... | ... | ১২৩ |
| ২৩। ফুলকুঁৱৰী | ... | ... | ১২৭ |


## চতুৰ্থ তৰঙ্গ


| | | | |
| --- | --- | --- | --- |
| ২৪। অসমীয়া ভাষাৰ কাৰণে কবিৰ প্ৰাৰ্থনা | | ... | ১৩৩ |
| ২৫। গণেশ গগৈৰ কবিতা | ... | ... | ১৩৪ |
| ২৬। যতীন্দ্ৰ-কবিতা | ... | ... | ১৩৮ |
| ২৭। বিদ্ৰোহী কবি প্ৰসন্নলাল | .. | ... | ১৪১ |
| ২৮। ৰবীন্দ্ৰনাথ | ... | ... | ১৪৫ |
| ২৯। ফুলিবলৈ' পোৱা হলে | ... | ... | ১৪৭ |


## পঞ্চম তৰঙ্গ


| | | | |
| --- | --- | --- | --- |
| ৩০। এটা মাতোৱাল বন্ধুৱা | ... | ... | ১৫৭ |
| ৩১। এটা পগলা খেতিয়ক | ... | ... | ১৬১ |
| ৩২। ভলণ্টিয়াৰৰ দুখ | ... | ... | ১৬৬ |
| ৩৩। এটোৱাৰী | ... | ... | ১৭২ |
| ৩৪। ষ্টীম্ লাইনত কাব | ... | ... | ১৭৬ |


## ষষ্ঠ তৰঙ্গ


| | | | |
| --- | --- | --- | --- |
| ৩৫। গাঁৱৰ জীয়ৰী | ... | ... | ১৭৮ |
| ৩৬। অসমীয়া ডেকাৰ উক্তি | ... | ... | ১৮৪ |
| ৩৭। অসমীয়া ছোৱালীৰ উক্তি | ... | ... | ১৯১ |


## সপ্তম তৰঙ্গ


| | | | |
| --- | --- | --- | --- |
| ৩৮। জ্যোতি-শঙ্খ | ... | ... | ২১৭ |
| ৩৯। পোহৰৰ বাট | ... | ... | ২২৬ |
| ৪০। চিৰবিদ্ৰোহী | ... | ... | ২২৭ |

| কবিতাৰ নাম | | | পৃষ্ঠা |
|---|---|---|---|
| ৪১। জনতাৰ আহ্বান | ... | ... | ২৩১ |
| ৪২। সাৱধান, সাৱধান | ... | ... | ২৩৩ |
| ৪৩। মহাশূদ্ৰ | ... | ... | ২৩৬ |
| ৪৪। ন-যোৱান-ই-হিন্দ | ... | ... | ২৩৯ |
| ৪৫। অসমৰ নবীন যোৱানৰ সঙ্কল্প | ... | ... | ২৫২ |
| ৪৬। শিল্পী মই | ... | ... | ২৫৮ |
| ৪৭। বিশ্বশিল্পী | ... | ... | ২৫৯ |
| ৪৮। বাস্তৱৰ কেন্দ্ৰত শিল্পী | ... | ... | ২৬১ |
| ৪৯। জনচেতনা | ... | ... | ২৬২ |
| ৫০। মোৰ অহঙ্কাৰৰ সংজ্ঞা | ... | ... | ২৬৩ |
| ৫১। মৃত্যু | ... | ... | ২৬৫ |


## ওপৰঞ্চি খণ্ড

(তৃতীয় তৰঙ্গৰ অন্তৰ্গত)


| | | | |
|---|---|---|---|
| ৫২। অকণমাণিৰ প্ৰাৰ্থনা | ... | ... | ২৬৯ |
| ৫৩। আহ অ' অকণি, আহ | ... | ... | ২৭০ |
| ৫৪। অ' মোৰ ধুনীয়া গাঁও | .. | ... | ২৭২ |
| ৫৫। লুইতৰ পাৰৰ বৰেচহৰ | ... | ... | ২৭৩ |
| ৫৬। মাক আৰু সোণ | ... | ... | ২৭৪ |
| ৫৭। মনসা | ... | ... | ২৭৫ |
| ৫৮। ভূত-পোৱালি | ... | ... | ২৭৬ |

কবিব নিজব হাতব আখবত

# 'কনকলতা'ৰ এপিঠি

# লুইতৰ পাৰৰ অগ্নিসুৰ

## প্ৰথম অংক

# লুইতৰ পাৰৰ অগ্নিসুৰ

## সুন্দৰৰ জয়-যাত্ৰা

নিতে নৱ প্ৰকাশৰ
বিচিত্ৰ মেলা,
তোৰে-মোৰে জীৱনৰ
ইপাৰে-সিপাৰে কিনো
লুকাভাকু খেলা!

ভুবনে ভুবনে মই
বিকশাওঁ আলোক-প্ৰপঞ্চ,
হাঁহো কান্দো
নাচো গাওঁ
মুখৰিত কৰি দি
ত্ৰিভুবন-মঞ্চ।

তই সত্য অনাদি অনন্ত
বৃন্দ বৃন্দ কত
মদনমোহন যত
জিনি জিনি মহাৰূপৱন্ত।

হিয়াৰ মাজত মোৰ
শুনো কি নুশুনোকৈ
বাঁহীটি বজাই দিয় জান,

সেইহে বিচাৰি ফুৰোঁ
বিচৰাতে চিৰানন্দ,
তই কিৰণানন্দ
পৰমানন্দ
অমৃত ভাণ্ড কৰি দিয়া দান
বিশ্বজীৱন জ্যোতি-প্ৰাণ।

জীৱনে জীৱনে মাথোঁ
পাতোঁ মই অন্বেষণ-যাগ্,
বিচিত্ৰ প্ৰকাশৰ
সচিত্ৰ গানেৰে দিয়া
গোপনতে লৰ যজ্ঞভাগ।

আঁৰে আঁৰে হাঁহি
বজাৱ ব্ৰহ্ম-বাঁহী।

এটি ৰূপ
ভাঙি-ছিঙি
খণ্ড-বিখণ্ড কৰি
তোক চাওঁতেই
বিখণ্ডতে অখণ্ড ৰূপৰ তই
হাঁহি মাৰি লুকাৱ যে
পালোঁ পালোঁ বুলি ভাবোঁতেই—
নিত্য-অনিত্যৰ অনন্ত মেলা
মাথোঁ এটা লুকাভাকু খেলা।

মনোমন্দিৰৰ দুৱাৰৰ
শিলৰ শলখা

মাৰিবলৈ কৰি আনো
সপ্তভুৱন চিত্ৰলেখা
অযুত, নিযুত ছবি তাই আঁকি যায়
তথাপিও তোৰ দেখা নাই।

গানৰ কণ্ঠ জুৰি
উঠে জ্বলি
বিবিধ বিতান
কত স্বপ্ন-গান,
মূৰ্চ্ছনা মূৰছি পৰে
গানেও যে গান গাই
ভাগৰি ভাগৰি অৱসান
ছন্দিতা ম্লান।

তথাপিও গান তোৰ
বীণত নপৰে ধৰা
তোৰ সুৰসপ্তক চৰা
নপৰে অ' ধৰা।

শুনো মাথোঁ
নুবুজিও বুজি যাওঁ
ব্যৰ্থ-প্ৰয়াসেৰে বজাবলৈ চাওঁ
তোৰ গান গানবো অতীত
হৃদয়-বীণত তাক তুলিব নোৱাৰোঁ অ'—
মাথো মোক কৰিছে মোহিত।

অনাদি অনন্ত
মধু শ্ৰীমন্ত

স্নুৰ-স্নুৰধুনী জিনি
তোৰ বাঁহী যিটি সুৰে বাজে,
সেই সুৰ ধৰি মই
বীণত বজাবলৈ
অলিয়াবলিয়া হৈ
ফুৰোঁ মাজে মাজে।

মাথো শুনো
মাথোঁ শুনো
মুক মুগ্ধ ধ্যানান্তৰত
সুৰ-লয়-তান ;
তাৰ স্বৰলিপি মোৰ
লিখিবলৈ স্বৰ নাই,
শব্দ নাই
নাই মাত্ৰা, নাই লয়-মান
অদ্ভুৎ শ্ৰৱণ মহাগান।

জানো থাক বহু দুৰ্বণিত
তেনেয়ে ওচৰতো
হৃদয়ৰ স্পন্দিত ধ্বনিত
য'ত আছে থাক তাতে
আপোনাৰ শ্ৰীৰে হৈ আপুনি মণ্ডিত।

তোৰ তীৰ্থ তোৰ ৰাজধানী
বিচাৰি বিচাৰি
মই যাওঁ
কোনোবা জনমতে চিনাই দিছিলোঁ যে
সেই গুণে বাট চিনি পাওঁ।

বাটে বাটে, ঘাটে ঘাটে
কত কত নৱ দেশ
মনোময় অশেষ-বিশেষ
সৌন্দৰ্য্যৰ কত মহাদেশ
বিবিধ বেশৰ সমাবেশ।

কত বসুন্ধৰা
কত ৰূপে-বৰ্ণে-গন্ধে
ৰসে-গানে ভৰা,
দ্যুলোক-ভূলোক
নীহাৰিকালোক
পাৰ হৈ যাওঁ দিব্যলোক
আলোকৰো সিপাৰৰ
কোনোবা আলোক,
বাটে বাটে তোৰ গান গাওঁ,
হিয়াৰ মাজত মোৰ তোক জান পাওঁ
মই তোৰ তীৰ্থলৈ যাওঁ।

মোৰ এই পৃথিৱীত
তোৰ মাথোঁ এটি সুৰ নাচে,
পৰ্ব্বত-বননি জুৰি
ভৈয়ামে ভৈয়ামে উৰি
ঘাঁহ-বন, পাত-লতা
কত ফুল বাছে।

নয়নাভিৰাম নানা ঠাচে
অপৰূপ ৰূপৰ সাঁচে সাঁচে